**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-08-2025 **Time : ** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। সমগ্ৰ দেশৰ খেতিয়কসকলে বিদেশী হেচা সত্ত্বেও বাণিজ্য চুক্তিৰ সাহসী সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰিছে।

২। সমগ্ৰ দেশৰ ২১০ গৰাকী পঞ্চায়ত নেতাই অহা ১৫ আগষ্টত নতুন দিল্লীত হ'বলগীয়া স্বাধীনতা দিৱস উদযাপন অনুষ্ঠানত বিশেষ অতিথি হিচাপে উপস্থিত থাকিব।

৩। স্বাধীনতা দিৱসৰ পৰিপ্ৰেক্ষিতত জম্মু-কাশ্মীৰ বিশেষকৈ পাকিস্তান সীমান্তবৰ্তী অঞ্চলসমূহত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

৪। ৰাজস্থানৰ দ'ছা জিলাত হোৱা পথ দুৰ্ঘটনাত কমেও ১০ জন লোকে প্ৰাণ হেৰুৱাইছে। **আৰু**

৫। দিল্লীত অহা ১৯ আগষ্টাৰ পৰা সুব্ৰতকাপ আন্তঃৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ।

০০০০০

সমগ্ৰ দেশৰ খেতিয়কসকলে বিদেশী হেচা সত্ত্বেও বাণিজ্য চুক্তিৰ সাহসী সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰিছে। কৃষক সংগঠনৰ নেতা আৰু খেতিয়কৰ এটা দলে কালি নতুন দিল্লীত কেন্দ্ৰীয় কৃয়ি আৰু কষক কল্যান মন্ত্ৰী শিৱৰাজ সিং চৌহানক সাক্ষাৎ কৰে আৰু কৃষকৰ স্বাৰ্থৰ সুৰক্ষাৰ বাবে চৰকাৰে লোৱা নিৰ্ণায়ক ব্যৱস্থাৰ শলাগ লয়।

ভাৰতীয় কৃষক চৌধুৰী চৰণ সিং চৌহান সংস্থাৰ ৰাষ্ট্ৰীয় সভাপতি ধৰ্মেন্দ্ৰ চৌধৰীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সিদ্ধান্তই অকল লাখ লাখ খেতিয়কক সকাহ্ প্ৰদান কৰাই নহয় বৰং দেশৰ কৃষি আৰু গ্ৰাম্য খণ্ডসমূহৰ সৰলীকৰণৰ প্ৰক্ৰিয়া ত্বৰাণ্বিত কৰিব। ইপিনে ছত্তিশগড় যুৱ প্ৰগতিশীল সংস্থাৰ বীৰেন্দ্ৰ লোহানে কয় যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ কোম্পানীসমূহক দেশৰ কৃষি আৰু দুগ্ধ উৎপাদন খণ্ডত প্ৰৱেশ কৰিব নিদিয়াৰ সাহসী সিদ্ধান্তৰ প্ৰতি সংশ্লিষ্ট খণ্ডসমূহৰ সৈতে জড়িত সকলোৱে আদৰণি জনাইছে।

কৃষকসকলৰ সৈতে হোৱা কথোপকথনত কৃষি মন্ত্ৰী শ্ৰী চৌহানে কয়, যে চৰকাৰে ভেজাল সাৰ আৰু ৰসায়ণ প্ৰস্তুতকাৰীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ বাবে শীঘ্ৰে এখন নতুন আইন প্ৰণয়ন কৰিব। প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত খেতিয়কসকললৈ বীমাৰ ধনৰাশি ডিজিটেল ব্যৱস্থাৰে আদায় দিয়াৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে কৃষকসকলৰ কল্যানৰ বাবে বিভিন্ন আঁচনি অগ্ৰাধিকাৰৰ ভিত্তিত আগুৱাই নিয়া হৈছে। কৃষকসকলৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে আলোকপাত কৰি শ্ৰীচৌহানে কয় যে কৃষকসকলে অকল দেশবাসীক খাদ্য যোগানৰ বাবেই নহয় বৰং সমগ্ৰ বিশ্বৰ খাদ্যৰ চাহিদা পূৰণৰ বাবে দিনে নিশাই কাম কৰে। তেওঁ  কৃষকসকলক অন্নদাতা আৰু জীৱনদাতা বুলি অভিহিত কৰে। তেওঁ কয়, যে কৃষকসকলৰ সেৱাই ঈশ্বৰৰ সেৱা আৰু ইয়াতকৈ কোনো ডাঙৰ পূজা নাই।

০০০০

সমগ্ৰ দেশৰ ২৮ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ২১০ গৰাকী পঞ্চায়ত নেতাই অহা ১৫ আগষ্টত নতুন দিল্লীত হ'বলগীয়া স্বাধীনতা দিৱস উদযাপন অনুষ্ঠানত বিশেষ অতিথি হিচাপে উপস্থিত থাকিব। এই বছৰ বিশেষ অতিথি হিচাপে আমন্ত্ৰিতসকলৰ ভিতৰত উন্নত আন্তঃগাঁথনি, উন্নত ৰাজহুৱা সেৱা আৰু সৰ্বাত্মক সমুদায় উদ্যমৰ লেখীয়া সেৱাৰ চকুতলগা ধৰণৰ উন্নয়নৰ সূচনা কৰা ভালেসংখ্যক পঞ্চায়ত নেত্ৰী আছে। পঞ্চায়তীৰাজ মন্ত্ৰালয়ে কৈছে যে এই বিশেষ অতিথিসকলে হৰ ঘৰ জল যোজনা, প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীন আৰু মিছন ইন্দ্ৰধনুচৰ লেখীয়া ধববজাবাহী চৰকাৰী আঁচনিসমূহ বাস্তৱায়িত কৰাত বিশেষ সফলতা অৰ্জন কৰিছে। নতুন দিল্লীত কাইলৈ এই বিশেষ অতিথিসকলৰ বাবে আনুষ্ঠানিক সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। এই অনুষ্ঠানত কৃত্ৰিম বুদ্ধিমত্তা চালিত ছভাছাৰ এপ্লিকেছন মুকলি কৰা হ'ব। এই বছৰ এই অনুষ্ঠানৰ মূল বিষয়বস্তু হৈছে আত্মনিৰ্ভৰ পঞ্চায়ত, বিকশিত ভাৰতৰ পৰিচয় আৰু এই বিষয়বস্তুৰে উন্নত ভাৰতৰ গুৰুত্বপূৰ্ণ স্তম্ভ হিচাপে আত্মনিৰ্ভৰ পঞ্চায়ৰ দৃষ্টিভংগীক প্ৰতিফললিত কৰে।

০০০০

স্বাধীনতা দিৱসৰ পৰিপ্ৰেক্ষিতত জম্মু-কাশ্মীৰ বিশেষকৈ পাকিস্তান সীমান্তৱৰ্তী অঞ্চলসমূহত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। আকাশবাণীৰ সংবাদদাতাই জনোৱা মতে অঞ্চলসমূহত নিৰাপত্তা বাহিনীৰ পহৰা আৰু তালাচী অভিযান তীব্ৰতৰ কৰি তুলিছে। স্বাধীনতা দিৱস যাতে শান্তিপূৰ্ণভাৱে সম্পন্ন হয় তাৰ বাবে সেনা আৰু বি এছ এফে নিয়ন্ত্ৰণ ৰেখাৰ ২২৫ কিলোমিটাৰ আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ ১৯২ কিলোমিটাৰ ব্যাসাৰ্ধ এলেকাত চোকা দৃষ্টি ৰাখিছে। আৰক্ষীয়ে দুখন সীমান্তৱৰ্তী জিলা ৰাজৌৰী আৰু পুনছৰ বাবে নিৰাপত্তাৰ পৰামৰ্শ আগবঢ়াইছে। জম্মু-শ্ৰীনগৰ ৪৪ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। অৱশ্যে জম্মুৰ ১০ খন জিলাৰ বিদ্যালয়-মহাবিদ্যালয় আৰু চৰকাৰী কাৰ্যালয়ত হৰ ঘৰ তিৰংগা কাৰ্যসূচী ৰূপায়ণ কৰি থকা হৈছে। জম্মুৰ মৌলানা আজাদ ষ্টেডিয়ামত স্বাধীনতা দিৱসৰ মূল কাৰ্যসূচী অনুষ্ঠিত হ'ব।

০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে **হৰ ঘৰ তিৰংগা** অভিযানৰ অধীনত আজি তেওঁৰ বাসগৃহত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। শ্ৰী শ্বাহে সামাজিক মাধ্যমযোগে কয় যে এই অভিযান ইতিমধ্যে গণ আন্দোলনত পৰিণত হৈছে আৰু দেশবাসীক একতাৰ ডোলেৰে বান্ধিছে আৰু দেশপ্ৰেমৰ ভাৱনা জগাই তুলিছে।

০০০০

অসমৰ গুৱাহাটীত যোৱা নিশাৰে পৰা হোৱা ধাৰাষাৰ বৰষুণৰ ফলত মহানগৰখনৰ কেইবাটাও অঞ্চল কৃত্ৰিম বানত বুৰ গৈছে। মহানগৰীখনৰ নবীন নগৰ, অনিল নগৰ,লেম্ব ৰোড, ৰুক্মিনীগাওঁ, হাতীগাঁও, ৰুক্মিনীনগৰ, ৰাজগড়, চানমাৰি আদি অঞ্চলত হোৱা বানৰ ফলত পুৱাৰে পৰা যাতায়াত ব্যাহত হৈ পৰিছে। বিভিন্ন স্থানত পদপথসমূহো পানীৰে বুৰাই পেলোৱাত জনসাধাৰণৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে।

ইপিনে, বিহাৰত গংগা, গণ্ডক, সোণ, কোসী, মহানন্দা আৰু বাগমতীকে ধৰি ঘাই ঘাই নদীসমূহ ফেনে ফুটুকাৰে ওফন্দি উঠাৰ ফলত ৰাজ্যখনৰ ১০ খন জিলা বানৰ কবলত পৰিছে আৰু ১৯ লাখৰো অধিক লোক প্ৰভাৱিত হৈছে। বানৰ ফলত ভগলপুৰ, মুংগেৰ, বেগুছৰাই, বৈশালী, ভোজপুৰ, খগ্ৰীয়া আৰু পাটনা জিলা বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। ৰাজখনৰ মাজেৰে বৈ যোৱা অধিকাংশ নৈৰ অৱবাহিকা অঞ্চলত হৈ থকা নেৰা-নেপেৰা বৰষুণৰ বাবে নৈসমূহৰ জলস্তৰ বৃদ্ধি পাইছে আৰু ইয়াৰে বেছিভাগৰ জলস্তৰ বিপদসীমাৰ ওপৰেদি বৈ আছে। বানৰ ফলত প্ৰভাৱিত ভালেসংখ্যক লোকে ঘাইপথ আৰু অন্য ওখ ঠাইসমূহত আশ্ৰয় লৈছে।

০০০০০

ৰাজস্থানৰ দ'ছা জিলাত আজি নিচেই পুৱা হোৱা এটা পথ দুৰ্ঘটনাত কমেও ১০ জন লোক নিহত হয় আৰু অন্য ১১ জল আহত হয়। দ'ছা-মনোহৰপুৰ ঘাইপথত বাছড়ী চাৰিআলিৰ সমীপত এখন পিকআপ

ভেন আৰু ট্ৰাকৰ মাজত হোৱা সংঘৰ্ষৰ ফলত এই অঘটনটো ঘটে। দুৰ্ঘটনাত হতাহত অধিকাংশ লোক উত্তৰ প্ৰদেশৰ **এতা** জিলাৰ আৰু তেওঁলোকে ছিকৰ জিলাৰ খাটু শ্যাম মন্দিৰত পুজা আগবঢ়াই ঘৰলৈ উভতি আহিছিল। আহতসকলৰ ভিতৰত ৮ জনৰ অৱস্থা সংকটজনক আৰু তেওঁলোকক জয়পুৰৰ এছ্ এম এছ্ চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই দুৰ্ঘটনাকলৈ গভীৰ শোক প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে সামাজিক মাধ্যমযোগে শোক-সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা প্ৰকাশ কৰিছে আৰু আহতসকলৰ আশো আৰোগ্য কামনা কৰিছে। ০০০০০

শ্ৰীলংকা মন্ত্ৰীসভাই দেশখনৰ নবীকৰণযোগ্য শক্তিক্ষমতা বৃদ্ধি কৰাৰ বাবে ভাসমান সৌৰ শক্তি প্ৰকল্পৰ ক্ৰয় প্ৰক্ৰিয়াৰ বাবে উপদেষ্টা নিয়োগ কৰাৰ কাম আৰম্ভ কৰিছে। মন্ত্ৰীসভাৰ মুখপাত্ৰ ড০ নলিন্দা জয়াতি চাই কৈছে যে চৰকাৰে ২০৩০ চনৰ ভিতৰত নবীকৰণযোগ্য উৎসৰ পৰা ৭০ শতাংশ বিদ্যুৎ উৎপাদন আৰু ২০৫০ চনৰ ভিতৰত কাৰ্বন গেছৰ নিৰ্গমন অবিহনে বিদ্যুৎ উৎপাদনৰ লক্ষ্য লৈছে। নবীকৰণযোগ্য শক্তিৰ উৎস উন্নয়ন পৰিকল্পনা ২০২৬-২০৩০ৰ অধীনত ভাসমান সৌৰ প্ৰকল্পৰ বাবে বিভিন্ন জলাশয় চিনাক্ত কৰি উলিওৱা হ'ব। এই প্ৰকল্পৰ আনুমানিক ৩ হাজাৰ মেগাৱাট।

০০০০

মুখ্য মধ্যস্থতাকাৰী খলীল অল হয়্যাৰ নেতৃত্বত হামাছৰ এটা প্ৰতিনিধি দলে ইজিপ্তৰ বিষয়াসকলৰ সৈতে উচ্চ পৰ্যায়ৰ আলোচনা কৰাৰ বাবে কালি কাইৰোত উপস্থিত হৈছে। গাজাত সৰ্বাত্মক যুদ্ধবিৰতি সুনিশ্চিত কৰা আৰু বন্দীসকলক সমস্যা সমাধান কৰাই এই আলোচনাৰ মূল উদ্দেশ্য। বৈঠকত কাটাৰ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ সমৰ্থনত ইজিপ্তৰ মধ্যস্ততাত হোৱা প্ৰস্তাৱিত ৬০ দিনীয়া যুদ্ধবিৰতি যোজনাক পুনৰ আৰম্ভ কৰাৰ সন্দৰ্ভত আলোচনা কৰা হ'ব।

উল্লেখযোগ্য যে ইজিপ্তৰ নতুন প্ৰস্তাৱত দিয়া বন্দী কৰা লোকসকলক মুকলি কৰি দিয়া যুদ্ধৰ সমাপ্তি, গাজাৰ পৰা .সৈন্য প্ৰত্যাহাৰ আদিৰ দাবী জনোৱা হৈছে। ইজিপ্তৰ বৈদেশিক মন্ত্ৰী বদ্ৰ অব্দেল আতিয়ে কৈছে যে দেশখনে কাটাৰ আৰু আমেৰিকাৰ পূৰ্ণ সহযোগত কাম কৰি আছে। ৬০ দিনীয়া যুদ্ধবিৰতি প্ৰস্তাৱত কাৰ্যকৰী কৰাই হৈছে তেওঁৰ লক্ষ্য। এই প্ৰস্তাৱক বন্দী আৰু পেলেস্তানী বন্দীসকল মুকলি কৰাৰ লগতে বিনা চৰ্তে গাজাত সহায় পুনৰ আৰম্ভ কৰাৰ কথা কোৱা হৈছে।

০০০০

দিল্লীত অহা ১৯ আগষ্টৰ পৰা সুব্ৰত কাপ আন্তঃ ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ ৬৪ সংখ্যক সংস্কৰণ অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাৰ তিনিটা শাখাত ১০৬ টা দলে অংশ ল'ব। ১৭ বছৰ অনুৰ্ধ ল'ৰা, ১৭ বছৰ অনুৰ্ধ ছোৱালী আৰু চাব-জুনিয়ৰ শাখাত খেলসমূহ অনুষ্ঠিত হ'ব। ২৫ ছেপ্টেম্বৰলৈ দিল্লী আৰু বেংগালুৰুত চলিবলগীয়া এই

প্ৰতিযোগিতা ১৯ আগষ্টত দিল্লীত ১৭ বছৰ অনুৰ্ধ শাখাৰ প্ৰতিযোগিতাৰে আৰম্ভ হ'ব। ২ ছেপ্টেম্বৰৰ পৰা বেংগালুৰুত ছাব-জুনিয়ৰ শাখাৰ খেল অনুষ্ঠিত হোৱাৰ লগতে ১৬ ছেপ্টেম্বৰৰ পৰা দিল্লীত প্ৰতিযোগিতাখনৰ ১৭ বছৰ অনুৰ্ধ ল'ৰা শাখাৰ খেল অনুষ্ঠিত হ'ব।

০০০০০০

০০০০০